# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-02-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন প্ৰত্যাহাৰ, বিজেপি নেতা য়ুমনাম খেমচান্দ সিঙে কালি ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৭ আৰু ৮ ফেব্ৰুৱাৰীত দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ যাব।

৩। কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ভাৰতৰ প্ৰথম সমবায়ভিত্তিক অনলাইন গাড়ীসেৱাৰ মঞ্চ ভাৰত টেক্সি মুকলি কৰিব।

৪। নেপালত হ'বলগীয়া সাধাৰণ নিৰ্বাচনৰ বাবে বিভিন্ন বাহিনীৰ লক্ষাধিক নিৰাপত্তাৰক্ষী মোতায়ন কৰা হৈছে।

*আৰু*

৫। আই চি চিৰ ১৯ বছৰ অনুৰ্ধৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত আৰু ইংলেণ্ড পৰস্পৰৰ মুখামুখি হ'ব।

ooooo

বিজেপি নেতা য়ুমনাম খেমচান্দ সিঙে কালি মণিপুৰৰ লোকভৱনত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে নেমচা কিপজেন আৰু ল'ছি দিখোই উপ-মুখ্যমন্ত্ৰী হিচাপে আৰু গোবিন্দাচ কোন্থৌজেমে গৃহমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।
ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন প্ৰত্যাহাৰ কৰিছে।

ৰাজ্যখনত যোৱা বছৰ ১৩ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰা হৈছিল। গৃহমন্ত্ৰালয়ে এই সন্দৰ্ভত ৰাজপত্ৰিত অধিসূচনা জাৰি কৰিছে। অধিসূচনাখনত ৰাষ্ট্ৰপতি মুৰ্মুৱে যোৱা বছৰ সংবিধানৰ ৩৫৬ নম্বৰ অনুচ্ছেদৰ অধীনত জাৰি কৰা ৰাষ্ট্ৰপতিৰ শাসন ওৰ পৰা বুলি উল্লেখ কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৭ আৰু ৮ ফেব্ৰুৱাৰীত দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ যাব। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ আমন্ত্ৰণ মৰ্মে দেশখনলৈ যাবলগীয়া প্ৰধানমন্ত্ৰী মোদীৰ এয়া হৈছে তৃতীয়টো মালয়েছিয়া ভ্ৰমণ। আনহাতে, ২০২৪ চনৰ আগষ্টত ভাৰত-মালয়েছিয়াৰ দ্বিপাক্ষিক সম্পৰ্কই ব্যাপক কৌশলগত সহযোগিতাৰ স্বীকৃতি লাভ কৰাৰ পাছত এয়া প্ৰধানমন্ত্ৰী মোদীৰ প্ৰথম মালয়েছিয়া ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে এই ভ্ৰমণৰ সময়ছোৱাত উভয় দেশৰ প্ৰধানমন্ত্ৰীয়ে দ্বিপাক্ষিক স্বাৰ্থজড়িত বিষয়ক লৈ আলোচনা কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখনত থকা ভাৰতীয় মূলৰ লোকসকলৰ সৈতে

মত-বিনিময় কৰাৰ লগতে উদ্যোগ আৰু ব্যৱসায়িক প্ৰতিনিধিৰ সৈতেও বাৰ্তালাপ কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণৰ সৈতে সংগতি ৰাখি দশম ভাৰত-মালয়েছিয়া মুখ্য কাৰ্যবাহী বিষয়া মঞ্চৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

আমাৰ সংবাদদাতাই জনোৱা মতে ভাৰত আৰু মালয়েছিয়াৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকাৰ লগতে ঐতিহাসিক, সভ্যতা, সাংস্কৃতিক যোগাযোগো আছে। প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে দেশ দুখনৰ প্ৰধানমন্ত্ৰীদ্বয়ক, বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, সামুদ্ৰিক সহযোগিতা, ডিজিটেল আৰু বিত্তীয় প্ৰযুক্তি, শক্তি, স্বাস্থ্য সেৱা, শিক্ষা আৰু সংস্কৃতি আদি দ্বিপাক্ষিক সহযোগিতাৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত পৰ্যালোচনা কৰাৰ সুযোগ প্ৰদান কৰিব।

ooooo

কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ভাৰতৰ প্ৰথম সমবায়ভিত্তিক অনলাইন গাড়ীসেৱাৰ মঞ্চ ভাৰত টেক্সি মুকলি কৰিব। সমবায় খণ্ডক শক্তিশালী কৰাৰ লগতে দেশত সৰ্বাংগীন, নাগৰিককেন্দ্ৰিক গতিশীলতা সমাধানৰ প্ৰসাৰৰ ক্ষেত্ৰত ই এটি উল্লেখযোগ্য মাইলৰ খুঁটিত পৰিগণিত হ'ব।

সমবায় মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে এই মঞ্চই মালিকীস্বত্ব, পৰিচালনা আদিৰ কেন্দ্ৰবিন্দুত চালকসকলক স্থান দিব আৰু তেওঁলোকক শোষণমূলক ব্যৱস্থাৰপৰা মুক্ত কৰিব।

এই মঞ্চই শূন্য কমিশ্যন আৰু অতিৰিক্ত মূল্যমুক্ত আৰ্হি সুনিশ্চিত কৰি চালকসকলক লাভৰ প্ৰত্যক্ষ বিতৰণৰ ব্যৱস্থা কৰিব। মন্ত্ৰালয়ে উল্লেখ কৰে যে ভাৰত টেক্সিয়ে স্বাস্থ্য বীমা, দুৰ্ঘটনা বীমা, অৱসৰৰ সঞ্চয়, আৰু চালক সেৱা ব্যৱস্থাৰ জৰিয়তে সাৰথি বা চালকসকলৰ বাবে সামাজিক সুৰক্ষাক অগ্ৰাধিকাৰ দিব। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে যে, বাইক দিদিৰ দৰে বিশেষ পদক্ষেপো সম্প্ৰতি গ্ৰহণ কৰা হৈছে, যাৰ অধীনত এতিয়ালৈকে ডেৰশগৰাকীৰো অধিক মহিলা চালকে ভাৰত টেক্সিত যোগদান কৰিছে।

ooooo

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে উচ্চতম ন্যায়ালয়ত কালি ৰাজ্যখনত চলি থকা ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ বিৰুদ্ধে যুক্তি দৰ্শায়। ভাৰতৰ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়াক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত দাখিল কৰা এখন আবেদনৰ শুনানি কালি গ্ৰহণ কৰা হয়। মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ নেতৃত্বাধীন বিচাৰপীঠে এই আবেদনৰ শুনানি গ্ৰহণ কৰে আৰু আদালতে এই সম্পৰ্কত নিৰ্বাচন আয়োগক জাননী জাৰি কৰে। গোচৰটোৰ পৰৱৰ্তী শুনানি অহা ৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। ৰাজ্যখনত বৃহৎ পৰিসৰত ভোটাৰৰ নাম তালিকাৰ পৰা কৰ্তন কৰাৰ অভিযোগেৰে মমতা বেনাৰ্জীয়ে ন্যায়ালৰ দ্বাৰস্থ হৈছে।

ooooo

নেপালত হবলগীয়া সাধাৰণ নিৰ্বাচনৰ প্ৰাকক্ষণত নিৰাপত্তাজনিত কাৰণত দেশখনত হাজাৰ হাজাৰ সেনা আৰক্ষী মোতায়েন কৰা হৈছে। যোৱা বছৰ কে পি শৰ্মা অলি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনক ওফৰাই পেলোৱা জেন-জি প্ৰতিবাদৰ পিছত এইবাৰ দেশখনত প্ৰথমটো সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হব। নেপাল সেনাৰ এগৰাকী মুখপাত্ৰই কয় যে মুক্ত, নিকা আৰু নিৰ্ভীক পৰিৱেশত নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্যৰে নিৰাপত্তাৰ দিশটো কটকটীয়া কৰি তোলা হৈছে। ৫ মাৰ্চত অনুষ্ঠিত হ’বলগীয়া প্ৰতিনিধি সদনৰ নিৰ্বাচনৰ বাবে অতিৰিক্ত সেনাবাহিনী নিয়োগত ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌডেলে অনুমোদন জনাইছিল।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তিনিদিনীয়া ভ্ৰমণসূচীৰে আজিৰে পৰা জম্মু-কাশ্মীৰলৈ ৰাওনা হব। ভ্ৰমণকালত গৃহমন্ত্ৰীগৰাকীয়ে বিস্তৃত নিৰাপত্তা পৰ্যালোচনা, উন্নয়নমূলক প্ৰকল্পসমূহৰ মূল্যায়ন আৰু ৰাজনৈতিক অংশীদাৰৰ সৈতে যোগাযোগ স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকী আজি সন্ধিয়া ৫ বজাত জম্মুত উপস্থিত হ’ব আৰু লোকভৱনত ৰাজনৈতিক নেতাসকলক সাক্ষাৎ কৰিব। এই ভ্ৰমণকালত নিৰাপত্তা সংস্থা আৰু প্ৰশাসনিক বিষয়াসকলৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত সামগ্ৰিক আইন-শৃংখলাৰ পৰিস্থিতি আৰু আন্তঃগাঁথনিমুলক পদক্ষেপসমূহৰ অগ্ৰগতিৰ মূল্যায়ন কৰা হ’ব বুলি আশা কৰা হৈছে।

ooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবিনে অভিযোগ কৰিছে যে - মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেডডীৰ নেতৃত্বত তেলেংগানাৰ কংগ্ৰেছ চৰকাৰে ৰাজ্যখনৰ হিন্দু মন্দিৰ আৰু পৰম্পৰাক লক্ষ্য কৰি বিভাজনকাৰী তথা তুষ্টিকৰণৰ ৰাজনীতিত লিপ্ত হৈছে। কালি তেলেংগানাৰ মেহবুব নগৰত এখন ৰাজহুৱা সভাত ভাষণ দি শ্ৰীনবিনে কয়, যে বিজেপি সনাতন ধৰ্ম আৰু হিন্দু আৱেগক ৰক্ষা কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ আৰু কংগ্ৰেছৰ এইধৰণৰ পদক্ষেপৰ উত্তৰ দিয়া হ'ব। বিশেষকৈ মহিলা, কৃষক, প্ৰান্তীয় সম্প্ৰদায়ৰ বাবে আৰ্থিক সহায় সন্দৰ্ভত মোদী চৰকাৰৰ নীতি আৰু কংগ্ৰেছ চৰকাৰৰ ব্যৰ্থ প্ৰতিশ্ৰুতিত আলোকপাত কৰি তেওঁ দলীয় কৰ্মীসকলক অধিক উদ্যমেৰে প্ৰচাৰ চলাবলৈ আহ্বান জনায়।

ooooo

নতুন দিল্লীত আজি বিশ্বৰ অন্যতম প্লাষ্টিক প্ৰদৰ্শনী PLASTINDIA 2026 আৰম্ভ হ'ব। ৰসায়ন আৰু সাৰ মন্ত্ৰালয়ে জনোৱা মতে, এই প্ৰদৰ্শনীত দুহেজাৰৰো অধিক আন্তঃৰাষ্ট্ৰীয় বিপণীত যন্ত্ৰপাতি, কেঁচামাল তথা চাৰ্ক্যুলাৰ বা বৃত্তাকাৰ অৰ্থব্যৱস্থা সমাধান আদিৰ অত্যাধুনিক উদ্ভাৱন প্ৰদৰ্শিত হ'ব। এই প্ৰদৰ্শনীয়ে ভাৰতৰ মানৱ সম্পদ, সামগ্ৰী, যন্ত্ৰাংশ আৰু বজাৰ দখলত ভাৰতৰ সামৰ্থ্যক উজলাই তোলাৰ লগতে বাণিজ্য, প্ৰযুক্তি, প্ৰতিভা আৰু পৰ্যটনৰ

কৌশলগত দিশসমূহতো আলোকপাত কৰিব। মন্ত্ৰালয়ে লগতে জনাইছে যে প্ৰথমবাৰলৈ 'প্লাষ্টিণ্ডিয়া'ক শূন্য আৱৰ্জনা প্ৰদৰ্শনী হিচাপে পৰিকল্পনা কৰা হৈছে।

০০০০০

জম্মু-কাশ্মীৰৰ কিষ্টৱাৰা জিলাত কালি নিৰাপত্তা বাহিনীৰ যুটীয়া অভিযানত সেনাই এটা সন্ত্ৰাসবাদীক নিধন কৰে। হোৱাইট নাইট কৰ্পছ নামৰ গোটটোৱে সামাজিক মাধ্যম ‘এক্স’ত দিয়া এটা পোষ্টত সদৰী কৰে যে সন্ত্ৰাসবাদী নিৰ্মূলৰ বাবে অপাৰেচন ত্ৰেছি-আই চলি আছে আৰু এই অভিযানৰ অধীনতে এজনক গুলীয়াই নিধন কৰা হৈছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি কিষ্টৱাৰা জিলাৰ চাট্ৰুৰ দিচাদ অঞ্চলত নিৰাপত্তাৰক্ষীৰ যুটীয়া দলে এই অভিযান চলাইছে। অঞ্চলটোত সন্ত্ৰাসবাদীৰ উপস্থিতি সন্দৰ্ভত চোৰাংচোৱা তথ্য লাভ কৰাৰ পিছতে নিৰাপত্তাৰক্ষীয়ে সেনাৰ বিশেষ পেৰা গোটৰ সৈতে অভিযান আৰম্ভ কৰিছিল আৰু সংঘৰ্ষৰ সূত্ৰপাত হৈছিল।

০০০০০

জিম্বাবুৱেৰ হাৰাৰেত আই চি চিৰ ১৯ বছৰ অনুৰ্ধৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰতে, ইংলেণ্ডৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয সময় অনুসৰি দিনৰ ১ বজাত আৰম্ভ হব। কালি জিম্বাবুৱেৰ হাৰাৰেত অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেল মেচত আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰি ভাৰতে ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে ৩টা উইকেট হেৰুৱাই ৪১ অভাৰ আৰু ১টা বলত ৩১১ ৰানৰ লক্ষ্য অৰ্জন কৰে। দলটোৰ হৈ আৰন জৰ্জে ১০৪টা বলত ১১৫ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে বৈভৱ সূৰ্য্যবংশীয়ে ৩৩টা বলত ৬৮ ৰান আৰু অধিনায়ক আয়ুষ মহাত্ৰেই ৫৭টা বলত ৬২ ৰানৰ বৰঙণি আগবঢ়ায়। আফগানিস্তানৰ হৈ নুৰস্তানী ওমৰজাইয়ে দুটা উইকেট দখল কৰাৰ বিপৰীতে ৱাহিদুল্লাহ জাদ্ৰানে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি আফগানিস্তানে নিৰ্ধাৰিত ৫০ অভাৰত ৪টা উইকেট হেৰুৱাই ৩১০ ৰান সংগ্ৰহ কৰে। ৯৩ বলত ১১০ ৰান সংগ্ৰহ কৰি ফৈছাল শ্বিনোজাদাই সৰ্বাধিক স্ক’ৰ কৰাৰ বিপৰীতে উজাইৰুল্লাহ নিয়াজাইয়ে ৮৬টা বলত ১০১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ দীপেশ দেৱেন্দ্ৰন আৰু কনিষ্ক চৌহানে দুটাকৈ উইকেট দখল কৰে। আৰন জৰ্জে মেন অব দা মেচ সন্মান লাভ কৰে। বুলাৱায়ুত অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত ইংলেণ্ডে ডিফেণ্ডিং চেম্পিয়ন অষ্ট্ৰেলিয়াক ২৭ ৰানত পৰাস্ত কৰিছিল। ভাৰতীয় দলটোৱে প্ৰতিযোগিতাখনত বৰ্তমানলৈকে অপৰাজিত হৈ আছে। ইতিমধ্যে প্ৰতিযোগিতাৰ ইতিহাসত পাঁচবাৰকৈ খিতাপ দখল কৰি ভাৰতে অভিলেখ সৃষ্টি কৰিছে।

০০০০০

বদোদৰাৰ বিচিএ ষ্টেডিয়ামত হবলগীয়া মহিলা ক্রিকেট প্রিমিয়াৰ লীগৰ ফাইনেলত আজি দিল্লী কেপিটেলছে ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৭ বাজি ৩০মিনিটত আৰম্ভ হ'ব। দ্বিতীয়বাৰৰ বাবে ডব্লিউ পি এল খিতাপ দখলৰ লক্ষ্যৰে ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ দলটোৱে খেলপথাৰত নামিব। ইফালে দিল্লী কেপিটেলচে চতুৰ্থবাৰৰ বাবে খিতাপ দখলৰ আশা কৰিছে।

০০০০০

**সমাপ্ত**